**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
——————————————

নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল প্লাৱিত হৈছে। চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত জিলাখনৰ ধনশিৰি আৰু দৈয়াং নৈৰ লগতে উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। কালি সন্ধিয়া পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি জিলাখনৰ গোলাঘাট, খুমটাই, মৰঙী, সৰুপথাৰ আৰু বোকাখাতৰ পাঁচটা ৰাজহ চক্ৰ বানৰ কৱলত পৰিছে। জিলাখনৰ ৫৬ খন গাঁৱৰ চাৰি হাজাৰ ৫০০ৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। জিলা প্ৰশাসনে ১৫ টা আশ্ৰয় শিবিৰ মুকলি কৰিছে। বানত আৱদ্ধসকলক সহায়ৰ বাবে এছ ডি আৰ এফ আৰু এন ডি আৰ এফৰ দলক নিয়োজিত কৰা হৈছে। জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়াসকলে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰিছে। একেদৰে বানত আৱদ্ধ পশুধনসমূহৰ উদ্ধাৰৰ বাবেও চেষ্টা চলাই থকা হৈছে। গোলাঘাট জিলা প্ৰশাসনে জাননীযোগে জনসাধাৰণক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনোৱাৰ লগতে বাঢ়নি পানীত অপ্ৰয়োজনীয়ভাৱে নাও আদিৰে যাতায়াত নকৰিবলৈ আহ্বান জনাইছে। তদুপৰি এনে পৰিস্থিতিত কোনো বৈদ্যুতিক সামগ্ৰী স্পৰ্শ বা মেৰামতি নকৰিবলৈ আহ্বান জনোৱা হৈছে। খোৱাপানীৰ ক্ষেত্ৰতো পৰিষ্কাৰ-পৰিচ্ছন্নতা অৱলম্বন কৰিবলৈ স্বাস্থ্য বিভাগে আহ্বান জনাইছে। যিকোনো জৰুৰীকালীন পৰিস্থিতিত জনসাধাৰণক ০৩৭৭৪-২৮০২২২ আৰু ০৩৬৭৪-২৮১৫২৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কেইবাখনো গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে। জিলাখনৰ চেলাইখাটি, মহজুলি বস্তি, নাহৰণি, মিছামাৰী, বৰপথাৰকে ধৰি কেইবাখনো গাঁও বানৰ কৱলত পৰিছে। একেদৰে গহপুৰ সমজিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মাজান আৰু ছত্ৰং নৈৰ বাঢ়নি পানীয়ে কালি বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়। শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপানলা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। আজি বিধয়াক পদ্ম হাজৰিকাই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। সাংবাদিকৰ আগত বিধায়কগৰাকীয়ে এইদৰে কয় –

বাইট

০০০০০০

বিগত দুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত কাছাৰ জিলাৰ বৰাক নদীৰ জলস্তৰ বৃদ্ধি পাইছে। আজি পুৱাৰ ভাগত শিলচৰৰ অন্নপূৰ্ণা ঘাটৰ বৰাক নদীৰ জলস্তৰ বৃদ্ধি হৈ ২০ দশমিক ২৯ মিটাৰ হৈছে। ইয়াৰ ফলত শিলচৰকে ধৰি সমগ্ৰ জিলাখনত বানসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। এনে পৰিস্থিতিত জিলা প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই সাধাৰণ জনতাক সজাগ হৈ থাকিবলৈ আৰু প্ৰয়োজনীয় সাৱধানতা অৱলম্বন

কৰিবলৈ নিৰ্দেশ দিছে। জিলা প্ৰশাসনে জনোৱা মতে সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সংশ্লিষ্ট সকলো বিভাগকে সাজু হৈ থাকিবলৈ দিয়াৰ লগতে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিছে।

oooooo

ডিব্ৰুগড় জিলাৰ ঐতিহাসিক মায়ামৰা সত্ৰৰ সমীপৰ অনিৰুদ্ধ দেৱ নামঘৰত কালি মাহজোৰা শ্ৰীমদ্ভাগৱত গীতা পাঠৰ সামৰণি পৰে। এই ভাগৱত পাঠ অনুষ্ঠানত বৃহত্তৰ মদাৰখাট মৌজাৰ ভালেসংখ্যক লোক উপস্থিত থকাৰ উপৰি ডিব্ৰুগড়, তিনিচুকীয়া আৰু লখিমপুৰ জিলাৰ পৰাও বহু সংখ্যক লোকৰ আগমন ঘটে। লখিমপুৰৰ নিত্তৰঞ্জন দাসে ভাগৱত পাঠৰ ব্যাখ্যা আগবঢ়ায়।

oooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

oooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ নৱনিৰ্মিত পৰীক্ষাগাৰ, ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠানৰ অধ্যয়ন কেন্দ্ৰ, আই চি টি ব্যৱস্থাসম্পন্ন কম্পিউটাৰ লেব আৰু বহুমুখী শ্ৰেণীকোঠাসহ কেইবাটাও শৈক্ষিক আন্তঃগাঁথনি উদ্বোধন কৰে। আন্তঃগাঁথনিসমূহ উদ্বোধন কৰি মন্ত্ৰী ডাঃ পেগুৱে তেওঁৰ ভাষণত শিক্ষা নীতিৰ ভিত্তিত সংবৰ্ধিত এই শৈক্ষিক আন্তঃগাঁথনিয়ে শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে।

oooooo

সমাপ্ত